**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-12-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া মণিপুৰ ভ্ৰমণসূচীৰে আজি ইম্ফলত উপস্থিত হয়। ৰাষ্ট্ৰপতিগৰাকীক বিমান বন্দৰত মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, মুখ্য সচিব ড০ পুনিত কুমাৰ গোৱেলকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়াই আদৰণি জনায়। শ্ৰীমতী মুৰ্মু বিমান বন্দৰৰ পৰা পোনে পোনে ইম্ফলৰ ৰাজভৱনলৈ যায়। ইয়াৰ পাছত তেওঁ ঐতিহাসিক মাপল কাংজেইবুং পল' খেলপথাৰত পল' খেল উপভোগ কৰে।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ব্ৰিটিছ্ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰী যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি সন্মান জনাব। ইয়াৰ পাছত তেওঁ সেনাপতি জিলাত এখন জনসভাত অংশ ল'ব আৰু জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০০০

ৰাষ্ট্ৰীয় কেডেড কপছ্ এন চি চিৰ উত্তৰ-পূৰ্বাঞ্চলৰ মেজৰ জেনেৰেল অনুৰাজ বি জে আজি গুৱাহাটীৰ লোক ভৱনত ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি উত্তৰ-পূৰ্বাঞ্চলত এন চি চিৰ কাৰ্যকলাপৰ বিষয়ে অৱগত কৰে। বৈঠকত মেজৰ জেনেৰেল বি জেই এন চি চিৰ বিভিন্ন কাৰ্যলাপৰ খতিয়ান দাঙি ধৰি সংস্থাটোৱে যুৱ সৱলীকৰণ, সমাজ সেৱা, নেতৃত্ব বিকাশ আদিৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত কাম কৰি অহা ভূমিকাত আলোকপাত কৰে। ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্যয়ো এন চি চিৰ কাৰ্যকলাপৰ শলাগ লয় আৰু ই যুৱ প্ৰজন্মৰ মাজত ইতিবাচক মনোভাৱ গঢ়ি তোলাৰ বাবে সংস্থাটোৰ প্ৰশংসা কৰে।

০০০০০০০

বজালীৰ কালদিয়া বনানিত প্ৰাকৃতিক পৰিৱেশৰ মাজত তথা আধুনিক সা-সুবিধাৰে গঢ় লৈ উঠা এখন মনোমোহা বনভোজস্থলী ৰাজ্যৰ পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে মুকলি কৰে। এই বনভোজ স্থলীত পৰ্যটকৰ বাবে আকৰ্ষণৰ স্থানৰূপে গঢ়ি তুলিবলৈ ৰাজ্যৰ পৰ্যটন বিভাগে নিশ্চিতভাৱে সহায়-সহযোগিতা আগবঢ়াব বুলি মন্ত্ৰী শ্ৰী দাসে প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয়, যে বৰ্তমান অসমত বহু লোকে পৰ্যটনৰ বাবে কাম কৰি থকাৰ লগতে বহু দেশী-বিদেশী পৰ্যটকৰ ৰাজ্যখনলৈ আগমন ঘটিছে। অসমত ধৰ্মীয় পৰ্যটন, প্ৰাকৃতিক সৌন্দৰ্য উপভোগৰ বাবে গঢ়ি উঠা পৰ্যটনৰ স্থানসমূহে পৰ্যটকসকলক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। এই সন্দৰ্ভত মন্ত্ৰী শ্ৰী দাসে এইদৰে প্ৰকাশ কৰে-

(বাইট ঃ দাস)

০০০০০০০

চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত জিলা এবছু কাৰ্যালয়ৰ পৰা আজি গধূলি এটা প্ৰতিবাদী জোঁৰ সমদল উলিওৱা হয়। ২০২০ চনৰ ২৭ জানুৱাৰীত স্বাক্ষৰিত বি টি চি চুক্তিৰ দফাসমূহ বাস্তৱত ৰূপায়ণ কৰাৰ দাবীত এবছুৱে এই কাৰ্যসূচী ৰূপায়ণ কৰে। সমদলত এবছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰীয়ে

বৰ্তমান চলি থকা সংসদৰ শীতকালীন অধিৱেশনত বিটিআৰ চুক্তিৰ বিষয়ে সংসদত উত্থাপন কৰিব লাগে বুলি মত প্ৰকাশ কৰে। বিটিআৰ অঞ্চলত অৱস্থিত অপ্ৰাদেশীকৃত বিদ্যালয় প্ৰাদেশীকীকৰণ, প্ৰাক্তন এন ডি এফ বিৰ গোচৰ প্ৰত্যাহাৰ কৰি জে'লৰ পৰা মুক্তি দিয়া, কাৰ্বি আংলঙৰ বড়োসকলক পাহাৰীয়া জনজাতিৰ মৰ্যাদা দিয়া, বি টি আৰৰ ধন পোনপটয়াকৈ দিয়াৰ ব্যৱস্থা কৰাকে ধৰি ১০ দফীয়া দাবীৰ সমৰ্থনত এবছুৰ চিৰাং জিলা সমিতিয়ে এই জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰা বুলি আমাৰ চিৰাঙৰ সংবাদদাতাই জানিবলৈ দিয়ে।

০০০০০০০

মৰিগাঁও চহৰৰ সমীপৰ লঠাবৰিত আজি বিয়লি সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ থিতাতে মৃত্যু হয়। মৃত মহিলাগৰাকী মৰিগাঁও জিলাৰ জালুগুটী টকুনাবৰীৰ আমিৰুন নেচা বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে মহিলাগৰাকীয়ে স্বামীৰ সৈতে এখন দুচকীয়া বাহনেৰে লাহৰিঘাটৰ পৰা জালুগুটী অভিমুখে আহি থকা অৱস্থাত ৰন্ধন গেছৰ চিলিণ্ডা ভৰ্তি এখন ট্ৰাকে দম্পত্তিহালক মহটিয়াই নিয়ে। ফলত মহিলাগৰাকী ট্ৰাকৰ চকাৰ তলত সোমাই পৰাত তেওঁৰ মৃত্যু হয় আৰু স্বামীগৰাকী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। মৰিগাঁও আৰক্ষীয়ে দুৰ্ঘটনাস্থলীৰ পৰা মৃত মহিলাগৰাকীক উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে আঘাটপ্ৰাপ্ত তেওঁৰ স্বামীক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখনৰ চালকজনক আৰক্ষীয়ে আটক কৰা বুলি আমাৰ মৰিগাঁৱৰ সংবাদদাতাই জনাইছে।

০০০০০০০

ডিব্ৰুগড়ৰ বিশিষ্ট শিক্ষাবিদ, বুৰঞ্জী গৱেষক, সমাজকৰ্মী, ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ চাওদাং নগেন কুমাৰ বৰুৱাৰ আজি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯২ বছৰ। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰাৰ লগতে ভালেসংখ্যক ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**